# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-06-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১।	অ' এন জি চিৰ ১৪৭ নম্বৰ ৰীগৰ গেছ নিৰ্গমনৰ চাপ ৫০ শতাংশলৈ হ্ৰাস। জনসাধাৰণক ঘৰুৱা চৌকা জ্বলোৱাৰ সেউজ সংকেত।

২।	কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃতভাৱে পালন।

৩।	অম্বুবাচী মহাযোগৰ দ্বিতীয় দিনাও শক্তিপীঠ কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশ।

৪।	সাংসদ গৌৰৱ গগৈৰ উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ পৰা কাটিহাৰ আৰু আলিপুৰ দুৱাৰ মণ্ডলক পৃথক কৰি এন এফ ৰে'লৰেক পুনৰ গঠনৰ পোষকতা।	*আৰু*

৫।	হেডিংলী টেষ্টৰ চতুৰ্থ দিনা ভাৰত দ্বিতীয় ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বানমূলক স্কৰ কৰাৰ দিশত অগ্ৰসৰ।

ooooo

শিৱসাগৰৰ ভটিয়াপাৰত থকা অ' এন জি চিৰ ১৪৭ নম্বৰ ৰীগৰ গেছ নিৰ্গমনৰ চাপ ৫০ শতাংশলৈ হ্ৰাস হৈছে। আজি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰা মন্ত্ৰী যোগেন মহনে এই বিষয়ে আমাৰ সংবাদদাতাক অৱগত কৰে। আজি মন্ত্ৰীগৰাকীৰ লগতে বিজেপিৰ এটা সজাতি দলে অঞ্চলটো পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। ইয়াৰ পূৰ্বে বিগত ১২ দিনে অ' এন জি চিয়ে সকলো সুৰক্ষা প্ৰট'কল অনুসৰণ কৰি গেছ নিৰ্গমন ৰোধ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলি অ' এন জি চিৰ অসম সম্পদৰ সাধাৰণ প্ৰবন্ধক কে এন ছাংৱানে সংবাদ মাধ্যমক সদৰি কৰিছিল। আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সহযোগত পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰয়াস চলাই থকা হৈছে বুলি শ্ৰীছাংৱানে জানিবলৈ দিয়ে। বিশেষজ্ঞৰ দলটোৱে ইতিমধ্যে ১০ ট্ৰেইলাৰভৰ্তি ৰীগৰ সামগ্ৰী সফলতাৰে স্থানান্তৰ কৰিছে। গেছ নিৰ্গমন বন্ধ হোৱা নাই যদিও অঞ্চলটোৰ ৰাইজক সম্প্ৰতি ঘৰুৱা চৌকাত ৰন্ধন কাৰ্যৰ বাবে জুই জ্বলাবলৈ সেউজ সংকেত দিয়া হৈছে। ভটিয়াপাৰৰ পৰা এয়া আমাৰ সংবাদদাতা মুজাহিদ আলী---

**ভইচ (মুজাহিদ আলী)**

ooooo

সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত গঠিত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি বিস্তৃতভাৱে পালন কৰা হয়। দিৱসৰ মূল কাৰ্যসূচী আজি পুৱা ডিফু চহৰৰ ছাৰছিং তেৰণ লাংকুং হাবে টাউন হলত অনুষ্ঠিত হয়। এই উপলক্ষে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'ৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। কাৰ্বি

জনগোষ্ঠীক আগুৱাই নিয়া আৰু কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠাত অৱদান আগবঢ়োৱা প্ৰয়াত ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়।

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেণতো পৰিষদৰ শাখা সচিবালয়ৰ প্ৰাংগণত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে আয়োজন কৰা দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীত  কাৰ্বি ৰজা লংচিং ৰংহাং আৰু কাৰ্বি পৰিষদৰ উপাধ্যক্ষ অভিজিৎ ক্ৰ' উপস্থিত থাকে।

পূৰ্বৰ মিকিৰ পাহাৰ আৰু এতিয়াৰ কাৰ্বি আংলঙৰ ৭৪ বছৰীয়া পৰিক্ৰমাত অঞ্চলটোৰ বিকাশ সম্পৰ্কত ডিফুৰ জ্যেষ্ঠ সাংবাদিক সঞ্জু বৰাই আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত এই মন্তব্য কৰে।

**বাইট (সঞ্জু বৰা)**

ooooo

অম্বুবাচী মহাযোগৰ আজি দ্বিতীয় দিনাও গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশ অব্যাহত আছে। দুপৰীয়া ভাগত অহা দোপালপিটা বৰষুণৰ মাজতো মন্দিৰত ভক্তৰ সমাগমৰ হীনদেঢ়ি হোৱা নাই। দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীৰ সৰ্বত্ৰ আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে। প্ৰবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ বন্ধ হোৱাৰ লগে লগে তান্ত্ৰিক সাধনমাৰ্গত বিশ্বাস কৰা ভালেসংখ্যক সাধু-সন্ন্যাসীয়ে ধ্যানত মগ্ন হোৱা পৰিলক্ষিত হৈছে।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। আজি পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে গুৱাহাটীৰ কামাখ্যা ষ্টেচনত উপস্থিত হৈ অম্বুবাচী মহাযোগলৈ অহা বিভিন্ন ঠাইৰ ভক্তসকলক অসমবাসীৰ হৈ আদৰণি জনায়। উল্লেখযোগ্য ৰাজ্য চৰকাৰে পৰ্যটন বিভাগৰ তৰফৰ পৰা **প্ৰণাম** নামেৰে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু প'ৰ্ট, ভূতনাথ, কামাখ্যা নামনি আৰু আদাবাৰীত পাঁচটা আদৰণি কক্ষ স্থাপন কৰি ভক্তসকলক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

ooooo

কোকৰাঝাৰ জিলাৰ নয়েক গাঁৱৰ কাক্ৰিকোলা খেলপথাৰত আজি চৰকাৰে হিতাধিকাৰীসকলৰ মাজত আৰ্থ-সামাজিক সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই অনুষ্ঠানৰ মূল উদ্দেশ্য হৈছে চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ সৈতে জনসাধাৰণক পোনপটীয়াকৈ জড়িত কৰোৱাৰ লগতে চৰকাৰৰ মূল পদক্ষেপসমূহৰ বিষয়ে সজাগতা সৃষ্টি কৰা। ইয়াৰ উপৰি তৃণমূল পৰ্যায়ত আঁচনিসমূহৰ ৰূপায়ণ আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে পৰ্যালোচনা কৰা। অনুষ্ঠানত বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰী, কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, পাৰিষদ মাধৱ চেত্ৰী, কোকৰাঝাৰ পৌৰসভাৰ অধ্যক্ষৰ লগতে বি টি আৰ প্ৰশাসনৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে। অনুষ্ঠানত ভাষণ দি বি

টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে চৰকাৰৰ উন্নয়নমূলক পদক্ষেপসমূহত আলোকপাত কৰে। তেওঁ কয় যে বি টি আৰত চৰকাৰে অঞ্চলটোৰ আৰ্থ-সামাজিক অৱস্থাৰ উন্নয়নৰ বাবে বিভিন্ন কল্যাণমূলক আঁচনি মুকলি কৰিছে। এই আঁচনিসমূহে যাতে সমাজৰ প্ৰতিটো স্তৰৰ জনসাধাৰণৰ উন্নয়নত সহায় কৰিব পাৰে তাৰ বাবে বি টি আৰ প্ৰশাসনৰ প্ৰতিশ্ৰুতিক তেওঁ নিশ্চিত কৰিছে।

ooooo

সাংসদ গৌৰৱ গগৈয়ে উত্তৰ-পূব সীমান্ত ৰে'লৰেৰ পৰা কাটিহাৰ আৰু আলিপুৰ দুৱাৰ মণ্ডলক পৃথক কৰি উত্তৰ পূৰ্বাঞ্চলৰ ভৌগলিক সীমাৰেখাৰ ভিতৰত এন এফ ৰে'লৰেক পুনৰগঠন কৰাৰ পোষকতা কৰিছে। আজি কোকৰাঝাৰত অসম ৰে'ল যাত্ৰী সন্থাৰ বি টি আৰ শাখাৰ এটা প্ৰতিনিধি দলে তেওঁক সাক্ষাৎ কৰাৰ সময়ত শ্ৰীগগৈয়ে এই মত প্ৰকাশ কৰে। তেওঁ কয় যে ৰে'ল সম্পৰ্কীয় বিভিন্ন বিষয় লৈ তেওঁ অচিৰেই ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক সাক্ষাৎ কৰিব আৰু ৰে'লযাত্ৰীসকলৰ কেতবোৰ দীৰ্ঘদিনীয়া দাবী সম্পৰ্কত ৰে'ল মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব। তেওঁ কয় যে নতুন দিল্লীত তেওঁ ৰে'ল বোৰ্ডৰ অধ্যক্ষগৰাকীৰ সৈতেও বৈঠকত মিলিত হ'ব।

ৰে'লযাত্ৰী সন্থাৰ প্ৰতিনিধি দলটোৱে সাংসদ গৌৰৱ গগৈক প্ৰদান কৰা স্মাৰক-পত্ৰখনত কোকৰাঝাৰত ৰাজধানী এক্সপ্ৰেছকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰা, আলিপুৰ দুৱাৰ আৰু কামাখ্যা আৰু নিউ তিনিচুকীয়া আৰু ধুবুৰীৰ মাজত ইণ্টাৰচিটী এক্সপ্ৰেছৰ পুনৰ প্ৰৱৰ্তন, পদাতিক এক্সপ্ৰেছ, তিস্তা-টৰ্চা এক্সপ্ৰেছ আৰু পাহাৰীয়া এক্সপ্ৰেছক নিউ বঙাইগাঁও অথবা ৰঙিয়ালৈ সম্প্ৰসাৰিত কৰা আৰু অসমত ই এম ইউ আৰু এম ই এম ইউ শ্ৰেণীৰ স্থানীয় ৰে'লৰ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত ৰে'ল মন্ত্ৰালয়ৰ ওপৰত হেঁচা প্ৰয়োগ কৰিবলৈ লোকসভাৰ বিৰোধী উপ-দলপতি গৰাকীক অনুৰোধ জনায়।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই অহা ১ জুলাইত ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস বিস্তৃত কাৰ্যসূচীৰে পালনৰ আয়োজন কৰিছে। আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে বিভাগটোৰ উত্তৰণৰ বাবে কাম কৰি যোৱা কেইবাগৰাকীও প্ৰয়াত সহকৰ্মীৰ আলোকচিত্ৰ বাতৰি বিভাগৰ লবীত স্থাপনৰ ব্যৱস্থা কৰিছে। প্ৰয়াত সহকৰ্মী কেইগৰাকীৰ পৰিয়ালে আগবঢ়োৱা এই আলোকচিত্ৰ কেইখন ১ জুলাইৰ পুৱা চাৰে ৯ বজাত আনুষ্ঠানিকভাৱে স্থাপন কৰা হ'ব।

প্ৰতিষ্ঠা দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই সেইদিনা দিনৰ ১০ বজাত গুৱাহাটীৰ উজানবজাৰৰ বিবেকানন্দ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এটা অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। সেইদিনাই সন্ধিয়া চাৰে ৬ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত **ওপজা দিনৰ সুবাস** শীৰ্ষক এটা সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিবিধ ভাৰতীযোগে অসমীয়া ভাষাৰ অনুষ্ঠানৰ পুনৰপ্ৰচাৰো অহা ১ জুলাইৰ পৰা আৰম্ভ কৰিব। আমাৰ কেইবাখনো বাতৰি বুলেটিন অহা ১ জুলাইৰ পৰা কেৱল মহাবাহু শাখাতহে প্ৰচাৰিত হ'ব।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া

বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০

হেডিংলী টেষ্টৰ আজি চতুৰ্থ দিনা ভাৰতে দ্বিতীয় ইনিংছত ইংলেণ্ডৰ বিৰুদ্ধে প্ৰত্যাহ্বানমূলক স্কৰ কৰাৰ দিশত অগ্ৰসৰ হৈছে। কালি ২ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৯০ ৰাণৰ পৰা দ্বিতীয় ইনিংছ আৰম্ভ কৰি ভাৰতে সোনকালেই অধিনায়ক শুভমন গীলৰ উইকেট হেৰুৱায়। তৃতীয় উইকেটৰ পতনৰ পাছত উপ-অধিনায়ক ঋষভ পণ্ট বেট কৰিবলৈ আহে আৰু কে এল ৰাহুলৰ সৈতে লগ লাগি চতুৰ্থ উইকেটৰ যুটীত ভোজন বিৰতিৰ পৰলৈকে ৬০ ৰাণ যোগ কৰে। ভোজন বিৰতিত ভাৰতে ৩ উইকেটৰ বিনিময়ত ১৫৩ ৰাণ সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে আৰু ভাৰতে ৩টা উইকেটৰ বিনিময়ত ১৯২ ৰাণ সংগ্ৰহ কৰিছে।

কে এল ৰাহুলে ৮৫ আৰু ঋষভ পণ্টে ৫৫ ৰাণ কৰি খেলি আছে।

০০০০০

গোৱালপাৰা সৈনিক স্কুলত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে পূব ভাৰতৰ আন্তঃ সৈনিক স্কুল হকী প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। ১৫ বছৰ অনূৰ্ধৰ ল'ৰা আৰু ১৭ বছৰ অনূৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ বাবে এই প্ৰতিযোগিতা জিলা আৰক্ষী অধীক্ষক তথা সৈনিক স্কুলখনৰ প্ৰাক্তন ছাত্ৰ নৱনীত মহন্তই শুভাৰম্ভ কৰে। শ্ৰী মহন্তই উদ্বোধনী ভাষণত সকলো প্ৰতিযোগী দলকে শুভেচ্ছা জনাই প্ৰকৃত প্ৰতিযোগিতামূলক উদ্যমেহে খেলুৱৈসকলৰ সামগ্ৰিক বিকাশত সহায় কৰিব বুলি মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানত গোৱালপাৰা সৈনিক স্কুলৰ অধ্যক্ষ কৰ্ণেল ধীৰাজ কুমাৰ বিশ্বকৰ্মাই সকলো প্ৰতিযোগী দলক আদৰণি জনায়। উদ্বোধনী খেলত ১৭ বছৰ অনূৰ্ধৰ গোৱালপাৰা সৈনিক স্কুলৰ ল'ৰাৰ দলটোৱে নাগালেণ্ডৰ পুংগোলৰা সৈনিক স্কুলৰ দলটোক ৩-০ গ'লত পৰাস্ত কৰে।

০০০০০

গুৱাহাটীৰ চানমাৰি ক'লনী নিবাসী তথা অসম ৰাজ্যিক সংগ্ৰহালয়ৰ প্ৰাক্তন বিষয়া বন্তি দেৱী কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যুমুখত পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ।

০০০০০

সমাপ্ত